**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

## HEADLINES

১। সমাগত লোকসভা  নিৰ্বাচনক কেন্দ্ৰ কৰি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত।
২। বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজনীয়তা সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাৰ বাবে নিৰ্বাচন আয়োগৰ পদক্ষেপ।
৩। লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলৰ চতুৰ্থখন প্ৰাৰ্থী তালিকা প্ৰকাশ। লখিমপুৰ সমষ্টিত উদয় শংকৰ হাজৰিকাক প্ৰাৰ্থীত্ব প্ৰদান।
৪। আজিৰে পৰা শ্ৰীকৃষ্ণৰ দৌল উৎসৱ। ৰাজ্যৰ বিভিন্ন সত্ৰ তথা মঠ-মন্দিৰত ফলগুৎসৱৰ ব্যাপক আয়োজন। *আৰু*
৫। আই পি এলত আজি জয়পুৰত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলাৰ বিপৰীতে  আহমেদাবাদত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

ooooo

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰতিটো ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে। কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপি, অসম প্ৰদেশৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত লোকসভা নিৰ্বাচনীমূলক এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত উপস্থিত থাকি তেওঁ প্ৰথম পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া লোকসভা সমষ্টিসমূহৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিৰ প্ৰভাৰীসকলৰ সৈতে মত-বিনিময় কৰে। ইপিনে, আজি মুখ্যমন্ত্ৰীগৰাকী চিৰাঙত উপস্থিত হৈ লোকসভা নিৰ্বাচন সন্দৰ্ভত দলৰ নেতা-কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰিব। এই বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ইউ পি পি এলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী আৰু ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সৈতে লোকসভা নিৰ্বাচনৰ কাম-কাজ সম্পৰ্কে আলোচনা কৰিব।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিৰ দলীয় কাৰ্যকৰ্তাৰে সাংগঠনিক সভা অনুষ্ঠিত কৰাৰ পাছত সমষ্টিটোৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে কালি চাৰিটা পৃথক স্থানত অনুষ্ঠিত চাৰিখন সভাত অংশ লৈ ভোটাৰৰ সৈতে মত-বিনিময় কৰে।

ৰাজ্যৰ একমাত্ৰ পাহাৰীয়া সমষ্টি ডিফুতো নিৰ্বাচনী প্ৰচাৰ পূৰ্ণগতিত আৰম্ভ হৈছে। নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে কালি ডিফুত উপস্থিত হোৱা বিজেপি প্ৰাৰ্থী অমৰছিং টিছোক সমষ্টিটোৰ দলীয় নেত-কৰ্মীসকলে আদৰণি জনায়। ইয়াৰ পাছতে ডিফুত আয়োজিত এখন বিশাল জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই কালি দলৰ শোণিতপুৰ জিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত শোণিতপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত অগপৰ তিনিখন সাংগঠনিক জিলা সমিতি আৰু ৯টা বিধানসভা সমষ্টি সমিতিৰ সভাপতি, সম্পাদক তথা অন্যান্য দলীয় বিষয়ববীয়াসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰা হয়।

নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ উদ্দেশ্যে কালি আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ দিলীপ পাণ্ডে ডিব্ৰুগড়ত উপস্থিত হয়। আপৰ মুখপাত্ৰগৰাকীয়ে এখন জনসভাত অংশ লৈ দলটোৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ চলায়। ইপিনে, ডিব্ৰুগড় সমষ্টিৰ অসম জাতীয় পৰিষদ দলৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈৰ হৈ কালি শিৱসাগৰৰ বিধায়ক তথা কৃষক নেতা অখিল গগৈয়ে নিৰ্বাচনী প্ৰচাৰ চলায়।oooooo

ooooo

লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে এইবাৰ নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী পি ডব্লিউ ডি ভোটাৰৰ ঘৰে ঘৰে  গৈ ভোট সংগ্ৰহৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটাদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে এই দুই শ্ৰেণীৰ ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী পি ডব্লিউ ডি ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ

দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপত** পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজনীয়তা সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়মানুসাৰে নিজৰ হৈ ভোট দিবলৈ এগৰাকী সংগীক লগত নিব পাৰিব। তদুপৰি, যিহেতু ভোটকেন্দ্ৰসমূহত ব্ৰেইলত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

০০০০০

লখিমপুৰ নিৰ্বাচনী জিলাৰ ভোটাৰ ৰাইজৰ মাজত ভোটদানৰ মহত্ব তথা গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে লখিমপুৰ জিলাৰ জিলা নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্তগৰাকীয়ে লখিমপুৰ আৱৰ্ত ভৱন চৌহদৰ পৰা এখন সজাগতা ভান- SVEEP ফ্লেগ অফ কৰি এই যাত্ৰাৰ শুভাৰম্ভ কৰে। এই ভানখন নিৰ্বাচনী জিলাখনৰ বিভিন্ন ঠাইত গৈ ভোটদান তথা গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ অন্যতম অংগ ভোটাধিকাৰ সাব্যস্তকৰণৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰিব।

০০০০০

কংগ্ৰেছে কালি আসন্ন লোকসভা নিৰ্বাচনৰ বাবে চতুৰ্থখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। এই তালিকাত লখিমপুৰ লোকসভা সমষ্টিত উদয় শংকৰ হাজৰিকাক দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। কালি প্ৰকাশ কৰা তালিকাখনত মুঠ ৪৬টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হৈছে। ইয়াৰে অসমৰ উপৰি আন্দামান নিকোবৰ, মিজোৰাম, পশ্চিমবংগ তথা ছত্তিশগড়ৰ এটাকৈ সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হৈছে। ইয়াৰ বাহিৰেও জম্মু-কাশ্মীৰৰ দুটা, মধ্যপ্ৰদেশৰ ১২টা, মহাৰাষ্ট্ৰৰ ৪টা, মণিপুৰৰ দুটা, ৰাজস্থানৰ তিনিটা, তামিলনাডুৰ ৭টা, উত্তৰাখণ্ডৰ দুটা আৰু উত্তৰ প্ৰদেশৰ ৯টা লোকসভা সমষ্টিত প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰা হৈছে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। ৰঙৰ উৎসৱ ফাঁকুৱাক লৈ ৰাজ্যজুৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ভিন্ন ৰঙী আবিৰেৰে ৰাজ্যৰ বজাৰসমূহ ভৰি পৰাৰ সমান্তৰলাভাৱে সত্ৰ তথা মন্দিৰসমূহত দৌল উৎসৱৰ উদযাপনৰ ব্যাপক আয়োজন চলিছে। মহাপুৰুষ মাধৱদেৱৰ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰৰ পৰম্পৰা অনুসৰি আজি বিয়লি সত্ৰৰ টুপৰ চোতালত কলিয়াগোসাঁই আৰু দৌল গোবিন্দ মহাপ্ৰভুক ভকতসকলে সাজি উলিওৱা মেজি পুৰোৱা হ'ব। কাইলৈ ভৰ দেউল আৰু পৰহিলৈ সুঁৱেৰী তথা ফাঁকুৱা পালন কৰা হ'ব। বৰপেটা সত্ৰৰ সমান্তৰালকৈ ঐতিহ্যমণ্ডিত সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী শংকৰদেৱৰ থান, বৰপেটা ৰোডৰ শাখা সত্ৰ, সৰভোগৰ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোঁসাই থান আদিতো দৌল উৎসৱ পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ইফালে, দৌল মহোৎসৱৰ সুঁৱেৰী উপলক্ষে বৰপেটা জিলা প্ৰশাসনে অহা ২৬ মাৰ্চৰ দিনা স্থানীয় বন্ধ ঘোষণা কৰিছে।

কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে পাঁচদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা দৌল উৎসৱ অনুষ্ঠিত হৈছে। আজি সন্ধিয়াৰ ভাগত দৌল গোবিন্দ মহাপ্ৰভুক মন্দিৰৰ পৰা উলিয়াই সিংহাসনত আৰোহণ কৰোৱাৰ পাছত ব্ৰহ্মপুত্ৰৰ পাৰত **মেষদাহ পৰ্ব** পালন কৰা হ'ব। কাইলৈ মহাপ্ৰভুৰ নিত্য স্থান আৰু মহাপূজাৰ লগতে ধৰ্মীয় পৰম্পৰাৰে মহাপ্ৰভুক ফাঁকু দিয়াৰ পৰ্ব আৰম্ভ হ'ব। পাঁচদিনীয়া এই কাৰ্যসূচীত হোম-যজ্ঞ, নাগাৰা নাম, আতচবাজী প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

ইফালে কামৰূপ জিলাৰ শুৱালকুছিৰ শ্ৰীহাতী সত্ৰ, দক্ষিণ কামৰূপৰ আমতোলা সত্ৰৰ চতুৰ্ভুজ মন্দিৰ, ৰঙিয়াৰ পোৱাঢাপ সত্ৰ, দীপ্তেশ্বৰী দেৱালয়, নবুৰ্কা সত্ৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, তামুলপুৰ জিলাৰ পুনিয়া সত্ৰ আদিৰ লগতে কমলপুৰ, চাংসাৰী, বেজেৰা, আমিনগাঁও, মিৰ্জা, চমৰীয়া আদি অঞ্চলতো ধৰ্মীয় পৰম্পৰাৰে দৌল উৎসৱ পালন কৰা হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি বিয়লিৰ পৰা দৌল উৎসৱৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা

পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ পালন কৰা হ'ব। একেদৰে গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ ঐতিহাসিক কেউলীয়া হাতীসত্ৰতো তিনিদিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব। উল্লেখযোগ্য যে, হোলী উপলক্ষে অহা ২৬ মাৰ্চত গোৱালপাৰা জিলাতো স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

ঐতিহ্যমণ্ডিত বটদ্ৰৱা থানতো আজিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌলযাত্ৰা মহোৎসৱ অনুষ্ঠিত হৈছে। থানখনত আজি গন্ধোৎসৱ অনুষ্ঠিত কৰাৰ বিপৰীতে কাইলৈ দৌল পূৰ্ণিমা আৰু পৰহিলৈ গোঁসাই ফুৰোৱা উৎসৱ অনুষ্ঠিত কৰা হ'ব।

০০০০০

আই আই টি গুৱাহাটীত অধ্যয়নৰত এজন ছাত্ৰই কুখ্যাত সন্ত্ৰাসবাদী সংগঠন আইছিছত যোগদান কৰাৰ খবৰে উত্তেজনাৰ সৃষ্টি কৰাৰ সময়তে কালি নিশা হাজোৰ দমদমাত নিষিদ্ধ ঘোষিত সংগঠনটোক সমৰ্থন কৰি থকা অৱস্থাত সন্দেহ কৰি স্থানীয় ৰাইজে যুৱকজনক আৰক্ষীৰ হাতত গতাই দিয়ে। ই-মেইলযোগে সন্ত্ৰাসবাদী সংগঠনটোত যোগদান কৰা আৰু গুৱাহাটীৰ পাণবজাৰৰ বুলি দাবী কৰা যুৱকজনৰ ঘৰ দৰাচলতে, নতুন দিল্লীৰ ওখলাত বুলি আৰক্ষী সূত্ৰত প্ৰকাশ পাইছে। বৰ্তমানে যুৱকজনক সোধ-পোছৰ বাবে এইটিএফৰ কাৰ্যালয়ত ৰখা হৈছে।

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰীশ্ৰীনৰোৱা সত্ৰৰ সত্ৰাধিকাৰ তথা থান পৰিচালনা সমিতিৰ উপ সভাপতি দেৱানন্দ দেৱ গোস্বামীয়ে কালি নিশা নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। সত্ৰীয় সংস্কৃতিৰ সাধকগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

চলিত ১৭ সংখ্যক আই পি এলৰ আজি দুখন খেল অনুষ্ঠিত হ'ব। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত দিনৰ চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত আই পি এলৰ প্ৰথম ছিজনৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব। আনহাতে, নিশা চাৰে ৭ বজাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইফালে কালি মোহালীত হোৱা দিবা-নৈশ প্ৰথমখন খেলত পাঞ্জাব কিংছে ডেলহি কেপিটেলছক ৪ উইকেটত পৰাস্ত কৰে। আনহাতে, নিশা কলকাতাৰ ইডেন গাৰ্ডেনত হোৱা দ্বিতীয়খন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে ৪ ৰানত ৰোমাঞ্চকৰ জয় অৰ্জন কৰে।

০০০০০

ৰাছিয়াৰ ৰাজধানী মস্কোত সন্ত্ৰাসবাদীয়ে গুলীচালনা কৰাৰ লগতে গ্ৰেনেড আৰু তৰল বিস্ফোৰকেৰে আক্ৰমণ কৰাত কমেও ১৫১ গৰাকী ব্যক্তিৰ মৃত্যু হৈছে। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিক শীৰ্ষ স্থান দিয়াৰ লগতে **দি আছাম ট্ৰিবিউন** কাকতেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দেশৰ মুঠ জনসংখ্যাৰ ১ শতাংশ লোকৰ হাতত দেশৰ ৪০ দশমিক ১ শতাংশ সম্পদ কেন্দ্ৰীভূত হৈছে বুলি ৱৰ্ল্ড ইন ইকুৱেলিটি লেব নামৰ গৱেষণা গোটৰ প্ৰতিবেদনত প্ৰকাশ পোৱাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ বুঢ়া পাহাৰ বনাঞ্চলত এটা গড়ৰ মৃত্যু হোৱাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ পূৰ্বে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা নিলম্বিত সাংসদ মহোৱা মৈত্ৰৰ বিৰুদ্ধে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ চি বি আইয়ে অভিযান আৰম্ভ কৰিছে। **আমাৰ অসম** কাকতে এই বাতৰিক বিশেষ গুৰুত্ব দিছে।

ভাৰত আৰু আফগানিস্তানৰ মাজত অহা ২৬ মাৰ্চত সৰুসজাই ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত বিশ্বকাপ ফুটবলৰ যোগ্যতা অৰ্জনকাৰী মেচ অনুষ্ঠিত হ'ব। এ গ্ৰুপৰ গুৰুত্বপূৰ্ণ খেলখনৰ বাবে গুৱাহাটীত ভাৰত আৰু আফগানিস্তান- দুয়োটা দল উপস্থিত হোৱাৰ বাতৰিক আলোকচিত্ৰসহ **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

বিগত দুবছৰত ভাৰতত ঔষধৰ দাম ২৮ শতাংশ বৃদ্ধি হোৱাৰ বাতৰি বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিয়মাৱলী অনুসৰি পৰিচালনা নকৰাৰ বাবে চি বি এছ ইয়ে গুৱাহাটীৰ ছাই আৰ এন এছ একাডেমী আৰু দেশৰ বিভিন্ন প্ৰান্তৰ ১৯ খন স্কুলৰ স্বীকৃতি বাতিল কৰিছে। **দ্যা ছেণ্টিনেল** কাকতে এই বাতৰিক গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অগ্ৰদূত** কাকতে ব্ৰিটেইনৰ ৰাজকুমাৰী কেট মিডলটন কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ বাতৰিক প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ছিজনগ্ৰামত কুকুৰৰ আক্ৰমণত ১৩ আহত, ৩১ মাৰ্চ ঃ কৰফাঁকি দি সাৰি যাব নোৱাৰিব কোনো বাহন।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

**সমাপ্ত**